# কিনো লাগে সাঁচি থ'বলৈ সোঁৱৰণিত

**প্ৰদীপ শৰ্মা**

আতচী-কাচৰ মাজেদি দেখা
আন্ধাৰ-পোহৰৰ জীৱনটো
যেন নিজৰ নহয়

কি লাগেনো সাঁচিবলৈ সোঁৱৰণিত
শিল মাটি ঘাঁহ জোন চৰাই
আৰু কেইটামান ফল

শিৰত তুলি কৰতী-পুথি
মৰি যাব খোজা সুঁতি এটাৰ দাঁতিয়ে দাঁতিয়ে
গৈ আছে এজন
নে আহি আছে
নিজকে বিচাৰি
ববচা-বনৰ মাজেদি ডেও দি দি

আবেলিৰ ৰ'দে দীঘল কৰিছে
তেওঁৰ ছাঁ

তেওঁ কোন আছিল
কিয় আহিছিল
মনিব নোৱৰা এই জীৱনটোলৈ
তেওঁৰ মনত নপৰে

ভৰিৰ ওচৰত হঠাতে দেখা পায় তেওঁ
সিঁচৰতি হৈ পৰি থকা এসোপা এঙাৰ
আৰু তাৰ মাজে মাজে গজি উঠা
ঘাঁহবোৰ

উহ
কোনোবা শুই আছে ইয়াত নিৰৱে
বতাহত এতিয়াও যেন ওপঙি আছে
তেওঁৰ শ্বাস

এওঁ বা কোন আছিল
স্থিতপ্ৰজ্ঞ কিম্বা বিষয়ী
অহংকাৰী অথবা বিনয়ী
সময়ৰ আইনাত দেখিছিল নে বাৰু তেওঁ
নিজকে কেতিয়াবা
একুৰা শীতল জুইৰ মাজত
দপদপকৈ জ্বলি উঠা

এই সকলো এতিয়া পোৰা এঙাৰ
আৰু ছাই আৰু গজি উঠা ঘাঁহ
এই সকলো এতিয়া
অৰ্থহীনতাৰ অন্তহীন পাঠ

ক্ৰমাৎ মৰি আহিব খোজা
সুঁতি এটাৰ দাঁতিয়েদি
আহি আছে সেইজন
নে গৈ আছে
আতচী-কাচৰ মাজেদি দেখা
জীৱনৰ গাথা আওৰাই

কিনো লাগে মানুহক
সাঁচি থ'বলৈ দুদিনীয়া সোঁৱৰণিত
মাথোঁ ঘাঁহ ফল চৰাই
সুদূৰৰ এডৰা কঁহুৱা
লগতে অলপ ধেমালি
আৰু আপোন বুলিবলৈ এটা বেলি...

# ঢৌ

**মণিকুন্তলা ভট্টাচাৰ্য**

নীলা চাদৰখন আকাশত উৰুৱাৰ কথা আছিল
কিন্তু তেওঁ সাগৰত মেলি দিলে।
দূৰণিৰ বতাহেৰে আহে গান
মোৰ দেশৰ জয়গান
মই পতাকা কল্পনা কৰোঁ
আৰু তেওঁ আগতীয়াকৈ কয়হি
মই দিম তোমাক স্বাধীনতা
তুমিও মানুহ।

ফিছা হেৰুৱা মৎস্যকন্যা মই
পানী নে বালি ভালপাওঁ? তেওঁ কয়—
ময়েই সেই আলোক
য'ত তুমি উজ্জ্বল সুন্দৰ সদায়।

মোহ নে আগ্ৰহ
নে মোৰ তপস্যাৰ ফল প্ৰেম?
বহু স্মৃতি
বহু সৃষ্টি
বহু অশ্ৰু
সৰ্বস্বান্ত সুগন্ধি যাত্ৰা
যি বন্দী কৰে বাৰম্বাৰ
বাৰম্বাৰ কৰে বিচূৰ্ণ।

প্ৰেম বহুবাৰ সত্য
বহুবাৰ বিশ্বাসভংগ
বহুবাৰ ওলমা সাঁকো
কিন্তু তাত মই সদায়ে নাৰী
অপবাদত ভগ্নাংশ।

জানো, সকলো গতিৰে শেষ আস্থান প্ৰেম
চুলি মেলি সাঁতোৰোঁ কেনি
তেওঁ কয়হি, ময়েই সোঁত
তুমি ঢৌ, অনন্ত।

# চকু

**জোনমণি দাস**

আমাৰ ঘৰৰ নঙলামুখৰ
সবাতোকৈ সুন্দৰ নাহৰ পুলি দুটাৰ দৰে
মোৰ দুটা চকু

ইটোৱে সিটোক
পায় জানো দেখা?

এটা চকুৰ নাম থ'লোঁ আকাশ
এটাৰ থ'লোঁ
মেঘ

সৰ চৰাইতকৈ
ওখত উৰে মেঘ
অথচ মেঘে ঢুকি পায় জানো আকাশ?

আকাশ অবিহনে
মেঘৰ উৰণ মিছা
তাতোকৈও মিছা মেঘৰ
সৰতকৈ ওখ হোৱাৰ অহংকাৰ

মেঘৰ অবিহনে
আকাশো শূন্য

মোৰ দুটা চকু
চকু নহয় যেন এহাল
যুৰীয়া চৰাই

চকু দুটা যদিহে চৰাই
নিৰৱে আহি ৰাতিয়ে কিয় সদায়
টোপনিৰ ডেউকা পিন্ধায়?

চকুৰ পতাত তেতিয়া
ৰাতিয়ে ৰোৱে আন্ধাৰ

আন্ধাৰনো কি?
চকুৱে নেদেখে যি

বুকুৱে নেদেখে পিঠি
পিঠিয়ে বুকু

মোৰ দুটা চকু
ইটোৱে সিটোক নাপায় দেখা

এটা চকুৰ নাম থ'লোঁ পিঠি
এটাৰ নাম থ'লোঁ বুকু


**ঠিকনা ঃ**

**ড° পূৰ্ণ ভট্টাচাৰ্য,** অৱসৰী উপাধ্যক্ষ, গুৱাহাটী কমাৰ্চ কলেজ, গুৱাহাটী-৭৮১০২১, ফোন ঃ ৯৮৬৪৩৩৬৭৩৭, e-mail : bhatta.purna@gmail.com

**প্ৰাণজিৎ মহন্ত,** গাঁও ঃ বৰসত্ৰ, ডাক ঃ শুৱালকুছি-৭৮১১০৩, কামৰূপ, ফোন ঃ ৮০১১৩০১৩১৩

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য,** বিদ্যাপুৰ, উপপথ নম্বৰ-৮, নলবাৰী-৭৮১৩৩৫, ফোন ঃ ৮৪৮৬৫৪১০০৭

**মিহিৰ মৌচুম ৰয়,** গাঁও ঃ ভোমাপাৰা, ডাক ঃ দেওহাটী (অভয়াপুৰী), বঙাইগাঁও-৭৮৩৩৮৪, ফোন ঃ ৯৭০৬৪৪৫৯৮২, ৯৬১৩১৩৫১০৩

**কিশোৰ মনজিৎ বৰা,** অদিতি ভৱন, গড়কাষৰীয়া, মগৰাহাট (কালুগাঁও), শিৱসাগৰ-৭৮৫৬৬৬, ফোন ঃ ৯৮৫৪৮৪৮৩৫৯, e-mail : aditimonjit@gmail.com

**প্ৰদীপ শৰ্মা,** গাঁও ঃ ৰহাধৰ বিৰকলা, ডাক ঃ পাঠশালা-৭৮১৩২৫, বৰপেটা, ফোন ঃ ৯৯৫৪৩৮০৮৪৬

**মণিকুন্তলা ভট্টাচাৰ্য,** ১০, কল্যাণী সাগৰ পথ, ১০ নম্বৰ বেটেলিয়ন গে'টৰ সমীপত, কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯, ফোন ঃ ৯৪৩৫০১৯৯২০, e-mail : manikuntala.author@gmail.com

**জোনমণি দাস,** নিজৰাপাৰ, চানমাৰি, গুৱাহাটী-৭৮১০০৩, ফোন ঃ ৯১০১০৩৮৬৫১